জনসংযোগ, অসম                                                                                     প্ৰেছ বাৰ্ত্তা

# ড° ভূপেন হাজৰিকালৈ মুখ্য মন্ত্ৰীৰ জন্মদিনৰ শুভেচ্ছা

দিছপুৰ, ৭ ছেপ্টেম্বৰ ঃ মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে কাইলৈ বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ৮৪ তম্ জন্ম দিৱস উপলক্ষে মহান শিল্পীগৰাকীলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।

জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি অসমৰ সু-সন্তান মহান শিল্পী গৰাকীলৈ প্ৰেৰণ কৰা এক পত্ৰত মুখ্য মন্ত্ৰী গগৈয়ে কয় যে আজীৱন সংগীত-কলাৰ সাধনাত অক্লান্ত ভাবে ব্ৰতী থাকি ড° ভূপেন হাজৰিকাই অসমৰ জাতীয় জীৱন চহকী কৰি তুলিছে। সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ শিল্পীগৰাকীয়ে আগবঢ়াই অহা অনবদ্য কৃতি সমূহ সৰ্বকালৰ বাবে অমূল্য ৰত্ন ভাণ্ডাৰ ৰূপে চিহ্নিত হৈ ৰ'ব। গীত আৰু সুৰৰ জৰিয়তে শিল্পীগৰাকীয়ে অসমৰ ঐতিহ্যপূৰ্ণ আৰু বৈচিত্ৰময় কলা-সংস্কৃতি তথা জাতীয় জীৱনক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিছে বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰী গগৈয়ে কয় যে ড° হাজৰিকাৰ গীত-সুৰ, কথা আৰু কণ্ঠস্বৰে প্ৰতিগৰাকী অসমবাসীৰ হৃদয় জিনি থৈছে। শিল্পীজনাৰ গীত আৰু কথাত আছে অসমৰ জাতীয় জীৱনৰ স্পন্দন। ড° ভূপেন হাজৰিকাক অসমৰ জাতীয় জীৱনৰ অফুৰন্ত প্ৰেৰণাৰ উৎস বুলি মন্তব্য কৰি মুখ্য মন্ত্ৰী গগৈয়ে কয় যে প্ৰতিজন অসমীয়াই শিল্পীজনাক লৈ গৌৰৱান্বিত আৰু অসমৰে নহয় সমগ্ৰ দেশবাসীৰ বাবেই ড° হাজৰিকা পৰম শ্ৰদ্ধাৰ পাত্ৰ।

মুখ্য মন্ত্ৰীয়ে ড° হাজৰিকাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

ৰঃসা
০৭-০৯-০৯